**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-03-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL BULLETIN***
***::::::::::::::::::::::::::::::::::::***

প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত আজি কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে।

কেন্দ্ৰীয় মন্ত্ৰী আৰু বিজেপি নেতা সৰ্বানন্দ সোনোৱালে আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী হিচাপে জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্যৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, মন্ত্ৰী তথা অসম গণ পৰিষদৰ সভাপতি অতুল বৰা, মন্ত্ৰী তথা অসম গণ পৰিষদৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ উপৰি ভালেসংখ্যক দলীয় নেতা কৰ্মী মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকে। ইপিনে লখিমপুৰ লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী প্ৰদান বৰুৱাই আজি লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদান বৰুৱাই মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী অশোক সিংঘল, ডাঃ ৰণোজ পেগুকে ধৰি বিজেপি আৰু অসম গণ পৰিষদৰ কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

ইয়াৰ বিপৰীতে যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়েও দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আৰু ৰকিবুল হুছেইন, ৰেকিবউদ্দিন আহমেদ আৰু তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱাৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে।

ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত প্ৰাৰ্থী, অসম জাতীয় পৰিষদৰ মুৰব্বী লুৰিণজ্যোতি গগৈয়ে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত সমৰ্থকসকলৰ সৈতে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত সাংসদ অজিত কুমাৰ ভূঞাও উপস্থিত আছিল।

আনহাতে, কাইলৈ যোৰহাটত তপন কুমাৰ গগৈ, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছা আৰু তেজপুৰত ৰঞ্জিত দত্তই সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নিজৰ নিজৰ মনোনয়নপত্ৰ দাখিল কৰিব। কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব। ইয়াৰ ভিতৰত লখিমপুৰৰ কংগ্ৰেছ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকাও আছে।

উল্লেখযোগ্য যে এই পৰ্যায়ৰ বাবে মনোনয়নপত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন আৰু পৰহিলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

ooooo

সমাগত লোকসভা

ooooo

শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উপলক্ষে ৰাজ্যজুৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰসমূহত দৌল উৎসৱৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ সমান্তৰালভাৱে জনসাধাৰণে ফাকুৱা উপলক্ষে পৰস্পৰক ফাকু গুড়ি সানি আনন্দ উদযাপন কৰা পৰিলক্ষিত হৈছে। সত্ৰনগৰী বৰপেটাত তিনি দিনীয়াকৈ আয়োজন কৰা শ্ৰী কৃষ্ণৰ দৌল মহোৎসৱৰ আজি সামৰণি পৰিব। এই উপলক্ষে সত্ৰনগৰীখনত দূৰ-দুৰণিৰ পৰা অহা অগণন লোকৰ সমাগম হৈছে। আজি দিনজোৰা কাৰ্যসূচীৰে ভক্তগণে বৰপেটা সত্ৰত হোলী খেলাৰ পাছত কলীয়া গোসাঁইক নাতিদূৰৈৰ কলবাৰীৰ ঘুনুচা গৃহলৈ লৈ যায়। তাত গোসাঁইক হেকেটা খুওৱাৰ পৰম্পৰা পালন কৰাৰ পাছত পুনৰ বৰপেটা সত্ৰলৈ লৈ আনি তাত বাঁহ ভঙা পৰ্ব সম্পন্ন কৰি গোসাঁইক মূলগৃহৰ চৌহদত ৭ পাক প্ৰদক্ষিণ কৰোৱা হয়। বৰপেটা সত্ৰত কলীয়া গোসাঁইৰ লগতে বাৰাদী সত্ৰৰ গোসাঁইকো প্ৰদক্ষিণ কৰোৱা হয়। বাৰাদী সত্ৰৰ গোসাঁইৰ বিবাদ পৰ্ব অনুষ্ঠিত হোৱাৰ পাছত বৰপেটা সত্ৰৰ গোসাঁইক মূল গৃহত প্ৰৱেশ কৰোৱাৰ পূৰ্বে লক্ষ্মীদেৱীৰ ভক্তগণৰ মাজত প্ৰতিকী তৰ্কযুদ্ধ হয়। সত্ৰ নগৰীখনৰ হোলী উৎসৱ হিচাপে সৰ্বজনবিদিত এই উৎসৱৰ অংশ হিচাপে বৰপেটাৰ স্থানীয় আতচবাজী প্ৰজ্বলন আৰু হোলী গীতেৰে চৌদিশ মুখৰিত হৈ উঠিছে।

বৰপেটা সত্ৰৰ অন্তৰ্গত তামুলপুৰ জিলাৰ প্ৰতিখন শাখা সত্ৰত দৌল উৎসৱ উপলক্ষে আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ইতিহাস প্ৰসিদ্ধ পুণিয়া সত্ৰত ভালেসংখ্যক লোকে হোলী গীত পৰিৱেশন কৰাৰ লগতে মটঙাপাৰ, তামুলপুৰ, কুমাৰীকাটা, খৈৰাবাৰী আদি শাখা সত্ৰত গোসাঁই ফুৰোৱা উৎসৱত নাম-প্ৰসংগৰে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰে।

পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বটদ্ৰৱা থানত পালন কৰা শ্ৰী কৃষ্ণৰ দৌল উৎসৱৰ তৃতীয় দিনাৰ কাৰ্যসূচী অনুসৰি আজি গোসাঁই ফুৰোৱা উৎসৱ পালন কৰা হয়। খোল প্ৰসংগ, গায়ন-বায়নেৰে অগণন ভক্তই বিশাল শোভাযাত্ৰাৰে গোসাঁইক দৌল মন্দিৰলৈ নিয়ে। দৌল মন্দিৰত গোসাঁই সেৱা, প্ৰদক্ষিণ, ফাকু খেলৰ অন্তত বটদ্ৰৱাৰ শ্ৰী শ্ৰী নৰোৱা সত্ৰ আৰু শলগুৰি সত্ৰৰ অন্তৰ্গত গাঁওকেইখন প্ৰদক্ষিণ কৰাৰ পাছত কীৰ্তন ঘৰৰ সিংহ দুৱাৰেদি গোসাঁইক প্ৰৱেশ কৰাৰ অন্তত গোসাঁই ফুৰোৱা উৎসৱৰ সামৰণি পৰে।

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মাজুলীৰ ঐতিহ্যমণ্ডিত সত্ৰসমূহত ধৰ্মীয় পৰম্পৰা আৰু ৰীতি-নীতিৰে দৌল উৎসৱ আৰু ফাকুৱা পালন কৰা হয়। আজি উৎসৱৰ অন্তিম দিনা ইংলেণ্ডৰ পৰ্যটকেও শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ ফাকুৱা উৎসৱত অংশ লয়। ঐতিহ্যমণ্ডিত সত্ৰখনত ৩৭০ সত্ৰীয়া পৰম্পৰাৰে পালন কৰা উৎসৱৰ প্ৰথম দিনা দুটা দোলন আৰু দ্বিতীয় দিনা এটা দোলন হোৱাৰ পাছত ভকত-বৈষ্ণৱ আৰু অঞ্চলবাসী ৰাইজে উৎসাহ-উদ্দীপনাৰে ভগৱন্তক পৰিভ্ৰমণ কৰোৱায়।

কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰত ৫ দিনীয়া কাৰ্যসূচীৰে আয়োজিত দৌল মহোৎসৱ আৰু ফাকুৱা উপলক্ষে অগণন ভক্তৰ সমাগম হৈছে। আজি মহাপ্ৰভুক দৌলত স্থাপন কৰাৰ পাছত মহাপূজা সম্পন্ন হয়। তদুপৰি ভকতসকলৰ নাম-প্ৰসংগ, ভাগৱত আৰু কীৰ্তন পাঠ কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে মঠ-মন্দিৰ আৰু দেৱালয়সমূহত মহাপ্ৰভুক পৰিভ্ৰমণ কৰোৱাৰ পাছত দৌল উৎসৱৰ সামৰণি পৰিব।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান ক্ৰমে ব্যাপক কৰি তুলিছে। সমান্তৰালভাৱে প্ৰশাসনেও ভোটদাতাৰ মাজৰ সজাগতাৰ সৃষ্টি, আদৰ্শ আচৰণ বিধি

বলৰৎ সম্পৰ্কীয় বিভিন্ন কাম-কাজ অব্যাহত ৰাখিছে। যোৰহাটত নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত এটা মটৰচাইকেল ৰেলী উলিওৱা হয়। মন্ত্ৰী তথা বিজেপি নেতা পীযুষ হাজৰিকা, যুৱ মৰ্চাৰ সভাপতি প্ৰমুখ্যে বহু নেতা কৰ্মীৰ উপস্থিতিত উলিওৱা এই মটৰ চাইকেল ৰেলীয়ে যোৰহাটৰ আই টি আই খেলপথাৰৰ পৰা নগৰখনৰ মাজেৰে পৰিভ্ৰমণ কৰে। সমষ্টিটোৰ দলীয় প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে কাইলৈ মনোনয়ন দাখিলৰ পূৰ্বে আজি শিৱসাগৰৰ সোণাৰীৰ বিমলাপুৰ গাঁৱৰ নিজা বাসগৃহত ভকতসকলক সেৱা জনাই তেওঁলোকৰ আশিষ গ্ৰহণ কৰে।

নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত তিনিচুকীয়া জিলা কংগ্ৰেছৰ চাৰিগৰাকীকৈ নেতাই দলত্যাগ কৰে। তিনিচুকীয়া জিলা কংগ্ৰেছৰ সভাপতি প্ৰণৱ বৰুৱা, দলৰ প্ৰাক্তন ৰাজ্যিক সাধাৰণ সম্পাদক বিৰিঞ্চি নেওগ, জ্যেষ্ঠ নেতা মহেশ মৰান আৰু থমাছ বৰুৱাই আজি কংগ্ৰেছ দলৰ পৰা পদত্যাগ কৰে। অৱশ্যে অসম প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক বিপুল গগৈয়ে জিলা কংগ্ৰেছৰ সভাপতি বৰুৱাক বহিস্কাৰ কৰা বুলি জনাইছে।

ooooo

ঃসমাপ্তঃ